# MASTER DEGREE 2ND SEMESTER EXAMINATION 2013

## বিষয় ঃ অসমীয়া

## সপ্তম কাকত ঃ অসমীয়া উপন্যাস

সময় ঃ ৩ ঘণ্টা　　　　　　　　　　　　　　　　মুঠ নম্বৰ ঃ ৮০

১। অতি চমুকৈ উত্তৰ দিয়ক- (যিকোনো পাঁচটা)　　　　২×৫ = ১০

(ক) প্ৰকৃতাৰ্থত উপন্যাসৰ বৈশিষ্ট্যৰে সমৃদ্ধ প্ৰথম উপন্যাসখনৰ নাম কি ? এইখন কাৰ ৰচনা ?

(খ) 'নিৰ্মল ভকত' উপন্যাসখনিৰ কাহিনীভাগত কোনজন ইংৰাজ কবিৰ কোনখন কাব্যকাহিনীৰ ছাঁ পৰিছে?

(গ) 'ৰাজপথে ৰিঙিয়াই' উপন্যাসখনক সমালোচক সকলে কি ধাৰাৰ উপন্যাস হিচাপে চিহ্নিত কৰিছে? কোনখন উপন্যাসৰ বাবে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই জ্ঞানপীঠ বটা লাভ কৰিছে?

(ঘ) বিৰিঞ্চি কুমাৰ বৰুৱাই কি কি ছদ্ম নামেৰে 'জীৱনৰ বাটত' আৰু 'সেউজী পাতৰ কাহিনী' উপন্যাস দুখন ৰচনা কৰিছিল ?

(ঙ) চুটি গল্প ৰচনাৰ ক্ষেত্ৰত ৰুচ আৰু ফৰাচী দেশৰ কোন দুগৰাকী গল্পকাৰৰ দ্বাৰা চৈয়দ আব্দুল মালিক প্ৰভাৱিত হৈছিল ?

(চ) 'আবিয়াৰ ' আৰু 'গহেনী' এই দুটা শব্দৰ অৰ্থ লিখক।

(ছ) আপোনাৰ পাঠ্যপুথিৰ আধাৰত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ উপন্যাসৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

২। চমুকৈ বুজাই লিখক। (যিকোনো তিনিটা) ৪×৩ = ১২

(ক) ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ ভাষা সম্পৰ্কে চমু আলোচনা লিখক।

(খ) "মানৱতাবোধ 'ৰাজপথে ৰিঙিয়ায়' উপন্যাস খনৰ অন্য এটা মনোগ্ৰাহী দিশ" - কথাষাৰ বুজাই লিখক।

(গ) নাৰীমনৰ বিচিত্ৰ অভিব্যক্তি 'জীৱনৰ বাটত' উপন্যাসখনত কেনেদৰে প্ৰতিফলিত হৈছে চমুকৈ লিখক।

(ঘ) "গ্ৰাম্য জীৱনৰ নিখুঁত চিত্ৰণ মালিকৰ উপন্যাসৰ এক বৈশিষ্ট্য "- কথাষাৰৰ তাৎপৰ্য বিশ্লেষণ কৰক।

(ঙ) কাহিনী আৰু বিষয়বস্তুগত শ্ৰেণীবিভাজনৰ পৰা 'দতাঁল হাতীৰ উঁয়ে খোৱা হাওদা'ক কোনশ্ৰেনীৰ উপন্যাস বুলি কব পাৰি চমুকৈ লিখক।

৩। বুজাই লিখক-(যিকোনো তিনিটা) ৬×৩ = ১৮

(ক) "'ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ প্ৰায়ভাগ চৰিত্ৰ নিয়তিৰ দ্বাৰা পৰিচালিত হৈছে' কথাষৰ বুজাই লিখক।

(খ) প্ৰাক স্বাধীনতা কালৰ অসমীয়া ঐতিহাসিক উপন্যাস সম্পৰ্কে এটি আলোচনা কৰক।

(গ) 'ৰাজপথে ৰিঙিয়ায়' উপন্যাসখনত চিহ্নিত হোৱা চৰিত্ৰ সমূহে সমাজজীৱনৰ কোনটো বাস্তৱদিশৰ প্ৰতি পাঠকৰ মনোযোগ আকৰ্ষন কৰে বুজাই লিখক।

(ঘ) 'জীৱনৰ বাটত ' উপন্যাসৰ 'ধ্বনী' চৰিত্ৰটি বিচাৰ কৰক।

(ঙ) মামনি ৰয়চম গোস্বামীৰ জীৱন আৰু কৃতি সম্পৰ্কে আলোচনা কৰক।

৪। বহলাই বুজাই লিখক- (যিকোনো চাৰিটা) ১০×৪ = ৪০

(ক) প্ৰাক স্বাধীনতা আৰু স্বৰাজোত্তৰ এটি তুলনাসুলক আলোচনা কৰক।



(খ) ৰাজনৈতিক উপন্যাস হিচপে 'ৰাজপথে ৰিঙিয়ায়' উপন্যাসৰ এটি আলোচনা যুগুত কৰক।

(গ) "'ৰজনীকান্ত বৰদলৈয়ে তেওঁৰ উপন্যাসত ইতিহাস আৰু কল্পনাৰ সংমিশ্ৰন ঘটাই মনোজ্ঞ কাহিনী উপস্থাপন কৰিছে" -বুজাই লিখক।

(ঘ) 'জীৱনৰ বাটত ' উপন্যাস খনিত সমসাময়িক অসমীয়া সমাজজীৱনৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে বিচাৰ কৰক।

(ঙ) 'দতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসৰ প্ৰধান বৈশিষ্ট্য সমূহ আলোচনা কৰক।

(চ) চৈয়দ আব্দুল মালিকৰ 'জীয়া জুৰিৰ ঘাট' উপন্যাস খনৰ নাৰী চৰিত্ৰসমূহৰ এটি বিশ্লেষন আগবঢ়াওক।

** ** **